# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-06-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

- - - - - - - - - - - - - - - - - - - - - - -

১। ২০৪৭ চনৰ ভিতৰত ভাৰতক বিকশিত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাত জ্ঞানে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি নালন্দা বিশ্ববিদ্যালয়ৰ নৱনিৰ্মিত চৌহদ উদ্বোধন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন্তব্য।

২। ৰাজ্যৰ ১৫ খন জিলাৰ ৫ শতাধিক গাঁও বানৰ কৱলত। বিভিন্ন অঞ্চলত পথ যোগাযোগ ব্যাহত। কৰিমগঞ্জত ভূমিস্খলনৰ ফলত একেটা পৰিয়ালৰে ৫ জন লোকৰ মৃত্যু।

৩। যোগে সৰ্বসাধাৰণৰ জীৱনত ইতিবাচক প্ৰভাৱ বিস্তাৰ কৰে বুলি যোগ সন্দৰ্ভত এখন ৰাষ্ট্ৰীয় আলোচনাচক্ৰ উদ্বোধন কৰি ৰাজ্যপাল গুলাব চান্দ কাটাৰীয়াৰ মন্তব্য।

৪। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মহিলাৰ ক্ৰিকেটৰ দলৰ মাজত চলিত তিনিখনীয়া এদিনীয়া শৃংখলাৰ, আজি দ্বিতীয়খন খেলত আলহী দলটোক ভাৰতৰ ৩২৬ ৰান লক্ষ্য নিৰ্ধাৰণ।

**আৰু**

৫। আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ প্ৰথমখন খেলত আজি আমেৰিকা যুক্তৰাষ্ট্ৰ দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০

বিহাৰৰ ৰাজগীৰৰ নালন্দা বিশ্ববিদ্যালয়ৰ নৱনিৰ্মিত চৌহদ উদ্বোধন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে, ২০৪৭ চনৰ ভিতৰত ভাৰতক বিকশিত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাত জ্ঞানে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। নালান্দা বিশ্ববিদ্যালয়ৰ সুষমা স্বৰাজ প্ৰেক্ষাগৃহত নতুন চৌহদ মুকলি অনুষ্ঠানত সমবেত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক সমাজক সম্বোধন কৰি দিয়া ভাষণত শ্ৰীমোদীয়ে লগতে কয় যে, নালন্দা বিশ্ববিদ্যালয় হৈছে সমগ্ৰ বিশ্বত আমাৰ পৰিচয় আৰু পৰম্পৰাক উজলাই তোলা এক মহান নিদৰ্শন। নালন্দা বিশ্ববিদ্যালয়ক নতুন ৰূপত পুনৰ উজ্জীৱিতকৰণে ইয়াৰ দক্ষতাকে প্ৰকাশ কৰা উপৰি বিকশিত ভাৰতৰ ধাৰণাই প্ৰদৰ্শন কৰিছে।

একেটা অনুষ্ঠানতে ভাষণ দি বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে কয় যে, শিক্ষাৰ বিশ্বজনীন সেঁতু হিচাপে পৰিচিত এই বিশ্ববিদ্যালয়ৰ  পুনৰ উজ্জীৱিতকৰণৰ তেওঁলোক সাক্ষী আৰু এই কাৰ্যই অতীতকৈও সুদৃঢ়ভাৱে সম্পৰ্ক গঢ়িবলৈ সমৰ্থ হ'ব। আন্তঃৰাষ্ট্ৰীয় বুজাবুজি আগুৱাই নিয়াৰ ক্ষেত্ৰত শিক্ষা, প্ৰশিক্ষণ আৰু দক্ষতা বৃদ্ধিয়ে এটা ফলপ্ৰসূ হিচাপে বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে বুলিও তেওঁ কয়।

প্ৰধানমন্ত্ৰীয়ে লগতে বিশ্ব ঐতিহ্য নালান্দা বিশ্ববিদ্যালয়ৰ প্ৰাচীন ভগ্নাসাৰশেষ পৰিদৰ্শন কৰে। এই ভগ্নাৱশেষৰ নৱনিৰ্মিত বিশ্ববিদ্যালয়ৰ সৈতে গভীৰ সম্পৰ্ক আছে। ভাৰত আৰু পূব এছিয়াৰ শীৰ্ষ সন্মিলন ৰাষ্ট্ৰৰ মাজৰ যৌথ সহযোগিতাৰ অংশ হিচাপে নালান্দা বিশ্ববিদ্যালয়ক কল্পনা কৰা হৈছে। নতুন চৌহদৰ উদ্বোধনী অনুষ্ঠানত বিহাৰৰ ৰাজ্যপাল ৰাজেন্দ্ৰ বিশ্বনাথ আৰ্লেকাৰ, মুখ্যমন্ত্ৰী নীতিশ কুমাৰ, বিদেশ মন্ত্ৰী ড০ এছ, জয়শংকৰ, কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা আৰু ১৭খন দেশৰ মিছন মুৰববীসহ ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

ৰাজ্যৰ প্ৰায় আটাইকেইখন জিলাতে কিছুদিন ধৰি একেৰাহে হৈ থকা বৰষুণৰ ফলত বান পৰিস্থিতিয়ে ক্ৰমাৎ জটিল ৰূপ ধাৰণ কৰিছে। ৰাজ্যখনৰ ১৫ খন জিলাৰ কমেও ৪৭০ খন গাওঁ বানৰ কবলত পৰিছে। এই বানত ১ লাখ ৬০ হাজাৰতকৈও অধিক লোক ক্ষতিগ্ৰস্ত হোৱাৰ লগতে ১৫ খন জিলাত স্থাপন কৰা ৪৩ টা আশ্ৰয় শিবিৰত ৫ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে। জিলা প্ৰশাসনসমূহে প্ৰায় ১৮ হাজাৰ লোকৰ মাজত সাহায্য সামগ্ৰী বিতৰণ কৰিছে। ইপিনে, ৰাজ্যখনত কালি পুনৰ এজন লোকে বানৰ ফলত প্ৰাণ হেৰুওৱাত শেহতীয়া বানত মৃত্যু হোৱা লোকৰ সংখ্যা ২৬ লৈ বৃদ্ধি হৈছে।

ইফালে কৰিমগঞ্জ জিলাত ইংলাৰ বজাৰৰ সমীপৰ বেন্দাৰগুল গাঁৱত যোৱানিশা হোৱা ভূমিস্খলনৰ ফলত একেটা পৰিয়ালৰে ৫ জন লোকৰ মৃত্যু হয়। নিশা প্ৰায় চাৰে ১২ বজাত হোৱা এই ভূমিস্খলনত প্ৰাণ হেৰুওৱা লোককেইজনক ৰহিমুন নেছা, চাহিদা খানম, জাহিদা খানম, হামিদা খানম আৰু মেহেদি হাছন বুলি চিনাক্ত কৰা হৈছে। ভূমিস্খলনৰ বাতৰি পোৱাৰ লগে লগে ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী আৰু আপদা মিত্ৰ দলৰ সদস্যসকলে ঘটনাস্থলীলৈ গৈ উদ্ধাৰ অভিযান আৰম্ভ কৰে। ইপিনে, জিলাখনৰ আয়ুক্তই এটা নিৰ্দেশযোগে বানৰ পৰিপ্ৰেক্ষিতত সকলো চৰকাৰী আৰু বেচৰকাৰী শিক্ষানুষ্ঠান আজি আৰু কাইলৈ বন্ধ ঘোষণা কৰে। লংগাই আৰু কুঁশিয়াৰা নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাৰ লগতে বৰষুণ অব্যাহত থকাৰ বাবে ন ন অঞ্চল প্লাৱিত হোৱাৰ আশংকা কৰি এই বন্ধ ঘোষণা কৰা হৈছে। অৱশ্যে পূৰ্ব নিৰ্ধাৰিত সময়সূচী অনুসৰি পৰীক্ষা অনুষ্ঠিত হ'ব। বাক্সা জিলাত নেৰানেপেৰা বৰষুণৰ ফলত কেইবাখনো বিদ্যালয়ৰ চৌহদ বানত বুৰ গৈছে। ইপিনে, বৰষুণৰ ফলত নলবাৰী চহৰ জলমগ্ন হৈ পৰাৰ ফলত জনসাধাৰণ ঘৰতে আবদ্ধ হৈ থাকিবলগীয়া হৈছে। পশ্চিম নলবাৰী অঞ্চলতো বানে জটিল ৰূপ ধাৰণ কৰিছে। বুঢ়াদিয়া নৈৰ মথাউৰি ঠায়ে ঠায়ে ছিগি যোৱাৰ ফলত জিলাখনৰ কৈঠালকুছি সংযোগী পথ, নদ্‌লাবজাৰ, উত্তৰ আমনি, গান্ধীবস্তি, কেন্দুবাৰীকে ধৰি ভালেমান অঞ্চল প্লাৱিত হৈছে। বহুলোকে নিৰাপদ স্থান বিচাৰি মথাউৰিত আশ্ৰয় লৈছে। মেঘালয়ৰ পৰা নামি অহা ঢলে গোৱালপাৰা জিলাৰ ন ন অঞ্চল প্লাৱিত কৰাৰ লগতে বাট-পথ দলং আদিৰো ক্ষতি কৰিছে। জলেশ্বৰ সমষ্টিৰ খলিচাভিটা গাইবান্ধালৈ যোৱা পথত থকা দলংখন ঢলে উটুৱাই নিয়াত পথ যোগাযোগ বিচ্ছিন্ন হৈ পৰিছে। ইপিনে, সিজুকণা গাঁৱত থকা কাঠৰ দলংখন বাঢ়নি পানীয়ে উটুৱাই নিয়াত ১০ খন গাঁৱৰ মাজত যোগাযোগ বিচ্ছিন্ন হৈছে। জিঞ্জিৰাম নৈৰ বাঢ়নি পানীয়ে জুৰি গাঁও, বৰ্মনপাৰা অঞ্চল প্লাৱিত কৰিছে। লখিমপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি জিলাখনৰ বান প্ৰস্তুতি সম্পৰ্কত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকৰ অন্তত অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ বিষয়ববীয়াই কদম ৰাজহ চক্ৰৰ অধীনৰ আৰ্হি সাহায্য শিবিৰ পৰিদৰ্শন কৰাৰ লগতে শিঙৰা নৈৰ মথাউৰি পুনৰ নিৰ্মাণৰ কাম পৰিদৰ্শন কৰে। ধাৰাসাৰ

বৰষুণৰ ফলত দৰং জিলাৰ ব্যৱসায়িক চহৰ খাৰুপেটীয়াৰ কেইবাটাও ৱাৰ্ড বানৰ কবলত পৰিছে। বানে ভালেসংখ্যক বাসগৃহ আৰু প্ৰতিষ্ঠান বুৰাই পেলাইছে। বাৰিষাৰ পৰিপ্ৰেক্ষিতত কাজিৰঙাৰ জীৱ-জন্তু সমূহৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষৰ লগতে গোলাঘাট জিলা পৰিবহণ বিভাগে বিশেষ পদক্ষেপ লৈছে। উদ্যান কৰ্তৃপক্ষই কাজিৰঙাৰ কাষেৰে যোৱা ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ৭টা মুখ্য স্থানত চেঞ্চৰ কেমেৰা স্থাপন কৰিছে। ইয়াৰ জৰিয়তে প্ৰতি ঘণ্টাত ৪০ কিলোমিটাৰতকৈ বেগেৰে অঞ্চলটো পাৰ হোৱা বাহন নিৰীক্ষণ কৰি জৰিমণা বিহা হ'ব। তদুপৰি গোলাঘাট জিলা পৰিবহণ বিভাগৰ বিধি বলৱৎকাৰী দলে সকলো যান-বাহনৰ ওপৰত চোকা দৃষ্টি ৰখাৰ লগতে এনিমেল কৰিডৰত যাতে কোনো বাহন ৰখাব নোৱাৰে তাৰবাবে ব্যৱস্থা গ্ৰহণ কৰিছে।

ooooo

গুৱাহাটী আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই অহা ২৪ জুনলৈকে ৰাজ্যৰ আটাইকেইখন জিলাতেই পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। কেন্দ্ৰটোৱে কালি ৰাজ্যৰ ১১খন জিলা ক্ৰমে - কোকৰাঝাৰ, ধুবুৰী, বঙাইগাঁও, বাক্সা, চিৰাং, বৰপেটা, দক্ষিণ কাৰ্বি আংলং, তামুলপুৰ, গোৱালপাৰা, কাচাৰ আৰু ডিমা হাছাওত ৰেড এলাৰ্ট জাৰি কৰিছে। আনহাতে, ওদালগুৰি, মৰিগাঁও, দৰং, নগাঁও, কাৰ্বি আংলং, গোলাঘাট, লখিমপুৰ, ধেমাজি আৰু তিনিচুকীয়া জিলাত অ'ৰেঞ্জ এলাৰ্ট জাৰি কৰা হৈছে। গুৱাহাটী মহানগৰীত সোমবাৰে ৫১ দশমিক ৪ মিলিমিটাৰ আৰু কালি ২৭ দশমিক ৬ মিলিমিটাৰ বৰষুণ হোৱা বুলি বতৰ বিজ্ঞান কেন্দ্ৰৰ সূত্ৰই প্ৰকাশ কৰিছে। অহা ২২ জুনত আৰম্ভ হ'বলগীয়া অম্বুবাচীৰ সময়তো গুৱাহাটীৰ লগতে ৰাজ্যত সামগ্ৰিকভাৱে বতৰ ডাৱৰীয়া হৈ থাকিব বুলি জানিব পৰা গৈছে।

ooooo

আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপনৰ বাবে ৰাজ্যজুৰি প্ৰস্তুতি চলিছে। এইবাৰৰ যোগ দিৱসৰ বিষয় হৈছে– **নিজৰ লগতে সমাজৰ বাবে যোগ।** আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ পূৰ্বে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আজি যোগ বিষয়ক এখন ৰাষ্ট্ৰীয় আলোচনা চক্ৰৰ আয়োজন কৰা হয়। ইণ্ডিয়ান যোগা কালচাৰ এণ্ড যোগা থেৰাপী চেণ্টাৰৰ উদ্যোগত আয়োজিত আলোচনা চক্ৰখন ৰাজ্যপাল শ্ৰীগুলাব চান্দ কাটাৰীয়াই উদ্বোধন কৰে। ৰাজ্যপালগৰাকীয়ে উদ্বোধনী ভাষণত কয় যে, যোগে সৰ্বসাধাৰণৰ জীৱনত ইতিবাচক প্ৰভাৱ বিস্তাৰ কৰে। যোগাভ্যাসে সমাজ আৰু দেশৰ উন্নয়নৰ ক্ষেত্ৰত প্ৰত্যক্ষ প্ৰভাৱ পেলাই বুলিও ৰাজ্যপালগৰাকীয়ে মন্তব্য কৰে।

দেশৰ অন্যান্য ঠাইৰ লগতে মৰিগাঁও জিলাতো ২১ জুনত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ আয়োজন কৰা হৈছে। সেইদিনা পুৱা চাৰে ৬ বজাত মৰিগাঁও সংৰক্ষিত আৰক্ষী ছাউনীত পদাতিক বাহৰত যোগ দিৱসৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হ'ব। মৰিগাঁও জিলা আয়ুক্তই এই অনুষ্ঠানত স্থানীয় সকলোকে ভাগ ল'বলৈ আহ্বান জনাছে। ইপিনে তিনিচুকীয়া মহাবিদ্যালয়তো আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ আয়োজন কৰা হৈছে। তিনিচুকীয়া মহাবিদ্যালয়ৰ এন এছ এছ গোট আৰু  যোগ কেন্দ্ৰৰ লগতে কেইবাটাও সংগঠনৰ সহযোগিতাত মহাবিদ্যালয়খনৰ পুথিভঁৰাল প্ৰেক্ষাগৃহত উদযাপন কৰা হ'ব। যোগাভ্যাসৰ লগতে আন কেইবাটাও কাৰ্যসূচী আয়োজন কৰা যোগ দিৱসত স্থানীয় সকলক অংশগ্ৰহণ কৰিবলৈ আয়োজকে আহ্বান জনাইছে। যোগাভ্যাসৰ গুৰুত্ব সন্দৰ্ভত যোগ প্ৰশিক্ষক দিগন্ত শৰ্মাই এইদৰে কয়–

# -ভইচ-

০০০০০

দিল্লীৰ এখন আদালতে আজি আবকাৰী নীতি সম্পৰ্কীয় গোচৰত কাৰাবন্দী হৈ থকা দিল্লীৰ মুখ্য মন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ ন্যায়িক জিম্মাৰ ম্যাদ তিনি জুলাইলৈ বৃদ্ধি কৰিছে। আদালতখনৰ ন্যায়াধীশ ন্যায় বিন্দুৱে আজি তেওঁৰ জামিন আবেদনৰ শুনানিৰ গ্ৰহণ কৰি এই ৰায় প্ৰদান কৰে। ইপিনে, বিশেষ ন্যায়াধীশ কাবেৰী বাৱেজাই অলপতে মুখ্যমন্ত্ৰীগৰাকীয়ে চিকিৎসাজনিত কাৰণত সাদিনৰ বাবে অন্তৰ্বৰ্তী জামিন বিচাৰি কৰা আবেদন নাকচ কৰিছিল। আনহাতে, এই আবেদন নাকচ কৰাৰ সময়ত আদালতে এইবুলি কয় যে মুখ্যমন্ত্ৰীগৰাকীক কেইবাটাও চিকিৎসাজনিত পৰীক্ষা-নিৰীক্ষাৰ বাবে প্ৰয়োজনীয় নিৰ্দেশ দিয়া হৈছে। ইপিনে, ইয়াৰ আগেয়ে বিধি বলৱৎকাৰী সঞ্চালকালয়ক প্ৰতিনিধিত্ব কৰা ছলিছিটৰ জেনেৰেল তুষাৰ মেহতা আৰু অতিৰিক্ত চলিছিটৰ জেনেৰেল এছ্ ভি ৰাজুৱে কেজৰিৱালৰ অন্তৰ্বৰ্তী জামিন আবেদনৰ নিৰ্বাচনী প্ৰচাৰৰ বাবে অপ-ব্যৱহাৰ কৰা হৈছে বুলি মন্তব্য কৰিছিল। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীগৰাকীয়ে অন্তৰ্বৰ্তী জামিনৰ পাছত যোৱা ২ জুনত উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশমৰ্মে তিহাৰ জে’ল কৰ্তৃপক্ষৰ ওচৰত আত্মসমৰ্পন কৰিছিল।

০০০০০

শক্তিপীঠ কামাখ্যা ধামত অহা ২২ জুনৰ পৰা দেশ-বিদেশৰ অগণন ভক্তৰ সমাগমেৰে অম্বুবাচী মেলা অনুষ্ঠিত হ’ব। এই মেলা নিয়াৰিকৈ পৰিচালনা কৰাৰ বাবে অসম চৰকাৰ, কামৰূপ মহনাগৰ জিলা প্ৰশাসন আৰু অম্বুবাচী মহাযোগ পৰিচালনা সমিতিয়ে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। পৰিচালনা সমিতিয়ে প্ৰকাশ কৰা মতে অহা ২২ জুনৰ পুৱা ৮ বাজি ৪৩ মিনিট ৩৯ ছেকেণ্ডত অম্বুবাচীৰ প্ৰবৃত্তি হোৱাৰ লগে লগে কামাখ্যা মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে বন্ধ হৈ পৰিব। ২৬ জুনত দেৱীক পৰম্পৰাগতভাৱে স্নান আৰু নিত্য পূজাৰ পাছত পুৱা ৬ বজাত মন্দিৰৰ দুৱাৰ মুকলি কৰা হ’ব। সমিতিয়ে প্ৰকাশ কৰা মতে ২১ জুনৰ পৰা ৩০ জুনলৈ কোনোধৰণৰ ভি আই পি, ভি ভি আই পি প্ৰৱেশ পত্ৰৰ ব্যৱস্থা নাথাকিব। একেদৰে ২৬ জুনৰ পৰা ২৭ জুনলৈ বিশেষ টিকটৰ ব্যৱস্থা নাথাকিব। তদুপৰি ভক্তসকলক মেলাৰ দিনকেইটাত নিশা ৮ পৰ্যন্তহে নীলাচল পাহাৰত প্ৰৱেশ কৰিবলৈ দিয়া হ’ব। অৱশ্যে পাণ্ডুৰ পৰা কামাখ্যা মন্দিৰলৈ যোৱা পথটো ভক্তসকলৰ বাবে নিশা ৯ বজা পৰ্যন্ত খোলা থাকিব। অম্বুবাচী মহোৎসৱৰ প্ৰতি লক্ষ্য ৰাখি সমগ্ৰ নীলাচল পাহাৰক ধূমপানমুক্ত অঞ্চল হিচাপে ঘোষণা কৰা হৈছে। সুৰাপান অথবা অন্য নিচাযুক্ত দ্ৰব্য সেৱন কৰা কোনো লোকক দেৱালয়ৰ ভিতৰত প্ৰৱেশ কৰিবলৈ দিয়া নহ’ব। মহোৎসৱৰ প্ৰতি লক্ষ্য ৰাখি আৰক্ষী প্ৰশাসনে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙে প্ৰকাশ কৰা মতে এইবেলি মেলাত অংশ লোৱা ভক্তসকলৰ নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি কেইবা তৰপীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰা হ’ব।

ইপিনে, কামৰূপ মহানগৰ জিলাৰ শিক্ষা বিভাগে বিদ্যালয়সমূহলৈ অম্বুবাচী মেলাৰ সময়ত পৰীক্ষা অনুষ্ঠিত নকৰিবলৈ নিৰ্দেশ জাৰি কৰিছে। জিলা আয়ুক্তৰ নিৰ্দেশমৰ্মে বিদ্যালয়সমূহৰ পৰিদৰ্শক দীপিকা চৌধুৰীয়ে অহা ২২ জুনৰ পৰা ২৬ জুনলৈ কোনো ধৰণৰ পৰীক্ষা অনুষ্ঠিত নকৰিবলৈ বিদ্যালয়সমূহক আহ্বান জনাইছে। জিলাখনৰ অন্তৰ্গত সকলো চৰকাৰী, প্ৰাদেশিকীকৃত আৰু ব্যক্তিগত বিদ্যালয়লৈ এই জাননী জাৰি কৰা হৈছে। কোনো বিদ্যালয়ে যদি অম্বুবাচী মেলাৰ দিনকেইটাত পৰীক্ষা দিন ধাৰ্য কৰিছে তেন্তে সেয়া সাল-সলনি কৰিবলৈ

জাননীখনত উল্লেখ কৰা হৈছে। অম্বুবাচী মেলালৈ লাখ লাখ ভক্তৰ সমাগমৰ ফলত ছাত্ৰ-ছাত্ৰীৰ যাতে কোনো অসুবিধা নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি এই নিৰ্দেশনা জাৰি কৰা হৈছে।

০০০০০

মাজুলীৰ মহিলা সকলৰ মাজত উদ্যমিতা বিকাশৰ বাবে তেওঁলোকক স্বাৱলম্বী কৰাৰ উদ্দেশ্যে ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠানৰ উদ্যোগত লাহলিয়াল গাঁৱত পাপড় প্ৰস্তুত কৰাৰ প্ৰশিক্ষণ দিয়া হয়। প্ৰধানমন্ত্ৰী বন ধন আঁচনিৰ অধীনত মাজুলীৰ বেছামৰা বন ধন বিকাশ কেন্দ্ৰৰ উদ্যোগত অনুষ্ঠিত এই প্ৰশিক্ষণত মাজুলীৰ ভিন্ন প্ৰান্তৰ ৩০ গৰাকী মহিলাই প্ৰশিক্ষণত অংশগ্ৰহণ কৰে। পাপড় প্ৰস্তুতৰ বাবে প্ৰয়োজনীয় সামগ্ৰী সংগ্ৰহ, প্ৰস্তুত পদ্ধতি, ৰ'দৰ শুকোৱাৰ লগতে পাপড় সংৰক্ষণৰ পদ্ধতি আদিৰ প্ৰশিক্ষণ দিয়াৰ লগতে ব্যৱসায় ভিত্তিত পাপড় প্ৰস্তুত, পেকেজিং আদিৰো প্ৰশিক্ষণ দিয়া হয়। এই প্ৰশিক্ষণত সমল ব্যক্তি হিচাপে ভাৰতীয়  উদ্যমিতা প্ৰতিষ্ঠানৰ প্ৰশিক্ষক ভাৰতী দাসে অংশগ্ৰহণ কৰে।

০০০০০

দুদিনীয়া কাৰ্যসূচীৰে কালি আৰম্ভ হোৱা বড়োলেণ্ড পৰিষদীয় বিধানসভাৰ বাজেট অধিৱেশনৰ আজি অন্ত পৰে। বিটিচিৰ মুখ্য কাৰ্যবাহী তথা বিত্ত বিভাগৰ দায়িত্বত থকা প্ৰমোদ বড়োৱে কালি ২০২৪-২৫ বৰ্ষৰ বাবে দাখিল কৰা ৮০৩ কোটি টকাৰ বাজেটখন আজি পৰিষদে আলোচনাৰ অন্তত অনুমোদন জনায়।

০০০০০

ছিকিমত সংঘটিত ভূমিস্খলনৰ ফলত আবদ্ধ হৈ পৰি এহেজাৰ ২০০ৰো অধিক পৰ্যটকক সেনা বাহিনীয়ে স্থানীয় অসামৰিক প্ৰশাসনৰ সহযোগত নিৰাপদে উদ্ধাৰ কৰিছে। ভাৰতীয় সেনা বাহিনীৰ ত্ৰি-শক্তি ক'ৰৰ বিষয়া জোৱান এই সাহায্য অভিযানত নিয়োজিত  হৈ আছে। মাংগন জিলাৰ দণ্ডাধীশ হেম কুমা ছেত্ৰীয়ে প্ৰকাশ কৰা মতে চাংথান আৰু লাচুঙত এতিয়াও আবদ্ধ হৈ থকা ১৫০ জন পৰ্যটকক নিৰাপদে উলিয়াই অনা প্ৰচেষ্টা অব্যাহত আছে। উল্লেখযোগ্য যে যোৱা সপ্তাহত এই পৰ্যটকসকল ভূমিস্খলনৰ ফলত আবদ্ধ হৈ পৰে। অঞ্চলটোত নেৰানেপেৰাকৈ বৰষুণ দি থকাৰ ফলত সাহায্য আৰু উদ্ধাৰ অভিযানৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি হৈছে। বতৰ অনুকূল হ'লে আকাশমাৰ্গেৰে পৰ্যটকসকলক স্থানান্তৰ কৰাৰ বাবে বাগডোগৰাত ছখন হেলিকপ্টাৰ সাজু কৰি ৰখা হৈছে। স্থানীয় প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰা মতে চংকালঙত নৱনিৰ্মিত ওলমা দলংখন ভাগি পৰাৰ ফলত পৰিস্থিতি জটিল হৈ পৰে। ইয়াৰ ফলত উত্তৰ ছিকিম আৰু জংগুৰ মাজত পথ যোগাযোগ বিচ্ছিন্ন হৈ পৰে।

০০০০০

আজি বিশ্ব চিকলচেল ৰক্তহীনতা দিৱস পালন কৰা হয়। চিকলচেল ৰক্তহীনতা হৈছে শৰীৰত লোহিত ৰক্ত কণিকা কমি যোৱা বাবে হোৱা এটা ৰোগ। কেন্দ্ৰীয় চৰকাৰৰ জনজাতি পৰিক্ৰমা মন্ত্ৰালয়, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয় আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ উদ্যোগত আজি গোলাঘাট জিলাৰ নাহৰজান চাহ বাগিচাত কেন্দ্ৰীয়ভাৱে এই দিৱস উদযাপন কৰা হয়। এই দিৱসৰ সৈতে সংগতি ৰাখি বোকাখাতৰ নাহৰলগুন চাহ বাগিচাত ৰক্ত পৰীক্ষা কৰাৰ লগতে পুষ্টিকৰ আহাৰ সম্পৰ্কে বাগিচাৰ শিক্ষাৰ্থী আৰু লোকসকলৰ মাজত সজাগতামূলক কাৰ্যসূচীৰে বিশেষ স্বাস্থ্য শিবিৰো আয়োজন কৰা হয়। এই বিশেষ সজাগতা অভিযান আজিৰে পৰা ৩ জুলাইলৈকে চলি থাকিব বুলি গোলাঘাট জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকে জানিবলৈ দিয়ে।

আনহাতে নামনি মাজুলীৰ মালাপিন্ধা উপ-স্বাস্থ্য কেন্দ্ৰৰ সৌজন্যত মালাপিন্ধা জনজাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়তো চিকলচেল ৰক্তহীনতা সজাগতা দিৱস পালন কৰা হয়। এই সজাগতা সভাতে উপস্থিত থকা ৭৫ গৰাকী লোকৰ চিকলচেল ৰোগৰ পৰীক্ষাৰ বাবে তেজৰ নমুনা সংগ্ৰহ কৰা হয়।

ooooo

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মহিলা ক্ৰিকেট দলৰ মাজত চলিত তিনিখনীয়া এদিনীয়া শৃংখলাৰ দ্বিতীয়খন আজি বেংগালুৰুত অনুষ্ঠিত হৈছে। খেলখনত ভাৰতীয় মহিলা দলটোৱে প্ৰথমে বেটিং কৰি নিৰ্ধাৰিত ৫০ অভাৰত ৩টা উইকেট হেৰুৱাই ৩২৫ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ অপেনাৰ স্মৃতি মান্ধানাই সৰ্বাধিক ১৩৬ ৰান আৰু অধিনায়ক হৰমনপ্ৰীত কৌৰে অপৰাজিত ১০৩ ৰান সংগ্ৰহ কৰে। ৩২৬ ৰান লক্ষ্যৰে ইংনিছ আৰম্ভ কৰা দক্ষিণ আফ্ৰিকাই বাতৰি যুগুতোৱাৰ পৰলৈকে ২২ অভাৰত ৩টা উইকেট হেৰুৱাই ১০৩ ৰান কৰি খেলি আছে। ভাৰতৰ মহিলা ক্ৰিকেট দল শৃংখলাটোত ১-০ৰ ব্যৱধানত আগবাঢ়ি আছে।

ooooo

আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ খেলসমূহ আজি আৰম্ভ হ'ব। এই পৰ্যায়ৰ আটাইকেইখন খেল ৱেষ্ট ইণ্ডিজত অনুষ্ঠিত হ'ব। ছুপাৰ এইট পৰ্যায়ৰ প্ৰথমখন খেলত আজি আমেৰিকা যুক্তৰাষ্ট্ৰ দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত অনুষ্ঠিত হ'ব। মুঠ আঠটা দলে ছুপাৰ এইট পৰ্যায়লৈ যোগ্যতা অৰ্জন কৰিছে। দলসমূহক দুটা ভাগত বিভক্ত কৰা হৈছে। ভাৰত, অষ্ট্ৰেলিয়া, বাংলাদেশ আৰু আফগানিস্তানক প্ৰথমটো গ্ৰুপত স্থান দিয়া হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰ, ইংলেণ্ড, ৱেষ্ট ইণ্ডিজ আৰু দক্ষিণ আফ্ৰিকাক দ্বিতীয়টো গ্ৰুপত অন্তৰ্ভুক্ত কৰা হৈছে।

প্ৰতিটো গ্ৰুপৰ শীৰ্ষৰ দল দুটাই ছেমি ফাইনেললৈ যোগ্যতা অৰ্জন কৰিব। ছুপাৰ এইট পৰ্যায়ত প্ৰতিটো দলে তিনিখনকৈ খেল খেলিব আৰু ছেমি ফাইনেলত প্ৰৱেশৰ বাবে কমেও দুখন খেলত জয়ী হ'ব লাগিব। ছেমি ফাইনেলত বিজয়ী দল দুটাৰ মাজত ২৯ জুনত বাৰবাডোছত ফাইনেল খেল অনুষ্ঠিত হ'ব।

ooooo

সমাপ্ত